# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 17-08-2024
**Time :** 19.10 hrs

# *Assamese Evening Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্লোবেল ছাউথ ৰাষ্ট্ৰসমূহক পৰস্পৰৰ শক্তি হ'ব পৰাকৈ একেলগে সমস্বৰে থিয় দিবলৈ আহ্বান জনাইছে।

২। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে কৈছে যে, স্বাস্থ্য কৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে লবলগীয়া ব্যৱস্থা সম্পৰ্কে পৰামৰ্শ আগবঢ়াবলৈ এখন কমিটি গঠন কৰা হ'ব।

৩। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে কৈছে যে দেশত বৰ্তমানলৈকে মাংকিপক্সত আক্ৰান্ত কোনো ৰোগী চিনাক্ত হোৱা নাই।

৪। আই এম এফৰ প্ৰথমগৰাকী উপ-পৰিচালন সঞ্চালক ড০ গীতা গোপীনাথে কৈছে যে, ২০২৩-২৪ বিত্তীয় বৰ্ষত ভাৰতৰ বিকাশ আশা কৰাতকৈ অধিক হৈছে আৰু ভাৰত ২০২৭ চনৰ ভিতৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা হিচাপে পৰিগণিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। *আৰু*

৫। পেৰিছত হ'বলগীয়া পেৰালিম্পিকৰ উদ্বোধনী অনুষ্ঠানত টকিঅ' পেৰালিম্পিকৰ স্বৰ্ণ পদক বিজয়ী সুমীত আনতিল আৰু শ্বটপুট তাৰকা ভাগ্যশ্ৰী যাদৱে ভাৰতীয় দলৰ পতাকা কঢ়িয়াব।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্লোবেল ছাউথ ৰাষ্ট্ৰসমূহক পৰস্পৰৰ শক্তি হ'ব পৰাকৈ একেলগে সমস্বৰে থিয় দিবলৈ আহ্বান জনাইছে। তৃতীয় গ্লোবেল ছাউথ ভাৰ্চুৱেল সন্মিলনত উদ্বোধনী ভাষণ দি প্ৰধানমন্ত্ৰীয়ে সাম্প্ৰতিক বিশ্বৰ অনিশ্চয়তা আৰু প্ৰত্যাহ্বান ভৰা বাতাবৰণক লৈ উদ্বেগ প্ৰকাশ কৰে। কোভিড-১৯ৰ প্ৰভাৱৰ পৰা বিশ্ব এই পৰ্যন্ত মুক্ত নোহোৱাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, সংঘাটৰ বিষয়সমূহে গ্লোবেল চাউথ ৰাষ্ট্ৰসমূহৰ বিকাশ যাত্ৰাত গুৰুতৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। শ্ৰী মোদীয়ে কয় যে, গ্লোবেল চাউথ দেশসমূহ সম্প্ৰতি জলবায়ু পৰিৱৰ্তনৰ লগতে স্বাস্থ্য সুৰক্ষা, খাদ্য সুৰক্ষা আৰু শক্তি সুৰক্ষাৰ দৰে ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। তেওঁ লগতে কয় যে, সন্ত্ৰাসবাদ, উগ্ৰবাদ আৰু বিচ্ছিন্নতাবাদে এতিয়াও সমাজৰ বাবে গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰি আছে। প্ৰযুক্তি বিভাজন আৰু প্ৰযুক্তিৰ সৈতে জড়িত নতুন আৰ্থসামাজিক প্ৰত্যাহ্বানো সৃষ্টি হৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত গ্লোবেল চাউথ দেশসমূহৰ সৈতে নিজৰ অভিজ্ঞতা আৰু সামৰ্থ ভগাই ল'বলৈ প্ৰতিশ্ৰুতিবদ্ধ। বাণিজ্যৰ প্ৰসাৰ, বহনক্ষম উন্নয়ন লক্ষ্যৰ অগ্ৰগতি আৰু মহিলা নেতৃত্বত বিকাশৰ দৰে বিষয়সমূহৰ ক্ষেত্ৰত নতুন দিল্লীৰ প্ৰতিশ্ৰুতিবদ্ধতাতো শ্ৰী মোদীয়ে আলোকপাত কৰে। তেওঁ যে, শেহতীয়াকৈ আন্তঃগাঁথনি, ডিজিটীয় ব্যৱস্থা আৰু শক্তি যোগাযোগৰ ক্ষেত্ৰত গ্লোবেল চাউথ ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতা বৃদ্ধি হৈছে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতে মিছন লাইফ আঁচনিৰ অধীনত অকল নিজ দেশতেই নহয় বৰং সহযোগী ৰাষ্ট্ৰসমূহতো ঘৰৰ মুধছত সৌৰ পেনেল স্থাপন আৰু নৱীকৰণযোগ্য শক্তি উৎপাদনত প্ৰাধান্য দিছে। ইউ পি আইৰ জৰিয়তে ধনৰ লেনদেন প্ৰক্ৰিয়া ভাৰতৰ উদ্যোগত আন কেইবাখনো দেশত আৰম্ভ কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, শিক্ষা, যোগ্যতা নিৰ্মাণ আৰু দক্ষতা বিকাশত গ্লোবেল চাউথ ৰাষ্ট্ৰসমূহৰ অংশীদাৰিত্বৰ ক্ষেত্ৰত উল্লেখযোগ্য প্ৰগতি লাভ কৰা হৈছে। সৰ্বাত্মক বিকাশৰ ক্ষেত্ৰত ডিজিটীয় ৰাজহুৱা আন্তঃগাঠনিৰ ভূমিকাক প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতৰ জি-টুৱেণ্টি অধ্যক্ষতাৰ সময়ছোৱাত গোলকীয় ডিজিটীয় ৰাজহুৱা আন্তঃগাঠনি নিধিৰ গঠন বিষয়টোলৈ বহুপাক্ষিক সহমতৰ প্ৰতিক স্বৰূপ। ভাৰতে এই নিধিলৈ ২ কোটি ৫০ লাখ ডলাৰৰ প্ৰাৰম্ভিক অৱদান আগবঢ়াব।

স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত এখন বিশ্ব, এটা স্বাস্থ্য আৰু আৰোগ্য মৈত্ৰী দৃষ্টিভংগী ভাৰতৰ মিছন বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেঁও কয় যে, ভাৰতে আফ্ৰিকা তথা প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ দ্বীপ ৰাষ্ট্ৰসমূহত চিকিৎসালয়, ডায়লেচিচ আহিলা, জীৱনদায়িনী ঔষধ আৰু জন ঔষধি কেন্দ্ৰৰ ক্ষেত্ৰত সহযোগিতাৰে এই বন্ধুত্ব বৰ্তাই ৰাখিছে। মানৱীয় সংকতৰ সময়ত ভাৰতে মিত্ৰৰাষ্ট্ৰসমূহক প্ৰথমে সহায় আগবঢ়াই আহিছে বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

সন্মিলনৰ সামৰণিত মন্তব্য প্ৰকাশ কৰি শ্ৰী মোদীয়ে কয় যে, আজিৰ আলোচনাই একেলগে আগবাঢ়ি যোৱাৰ বাবে পথ মুকলি কৰিলে। এই আলোচনাই গ্লোবেল ছাউথ দেশসমূহে নিৰ্ধাৰণ কৰি লোৱা লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত সহায় কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে, বাণিজ্য ক্ষেত্ৰক শক্তিশালী তোলাৰ বাবে ভাৰতে ২০ লাখ ৫০ হাজাৰ ডলাৰৰ পুঁজি আগবঢ়াব। তদুপৰি প্ৰশিক্ষণৰ বাবে ভাৰতে ১০ লাখ ডলাৰ আগবঢ়াব বুলিও শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে প্ৰতিবাদৰত চিকিৎসকসকলক তেওঁলোকৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে সম্ভৱপৰ সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰাৰ আশ্বাস দিছে আৰু চিকিৎসকসকলক বৃহত্তৰ ৰাজহুৱা স্বাৰ্থৰ খাতিৰত কাম পুনৰ আৰম্ভ কৰিবলৈ আহ্বান জনাইছে। মন্ত্ৰালয়ে কৈছে যে, স্বাস্থ্য কৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে লবলগীয়া ব্যৱস্থা সম্পৰ্কে পৰামৰ্শ আগবঢ়াবলৈ এখন কমিটি গঠন কৰা হব আৰু ৰাজ্য চৰকাৰসহ সংশ্লিষ্ট সকলো পক্ষৰ প্ৰতিনিধিক পৰামৰ্শ আগবঢ়াবলৈ আমন্ত্ৰণ জনোৱা হ'ব। আৱাসিক চিকিৎসক সংস্থা সংঘ, ভাৰতীয় চিকিৎসা সংস্থা আৰু দিল্লীৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আৱাসিক চিকিৎসক সংস্থাৰ প্ৰতিনিধিসকলে কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত এগৰাকী আৱাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাক লৈ আজি নতুন দিল্লীত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ বিষয়ববীয়াক সাক্ষাৎ কৰে। সাক্ষাৎকালত সংস্থাসমূহে কৰ্মস্থলীত স্বাস্থ্যকৰ্মীৰ নিৰাপত্তা আৰু সুৰক্ষাজনিত উদ্বেগক লৈ নিজৰ দাবী উত্থাপন কৰে। মন্ত্ৰালয়ৰ বিষয়ববীয়াসকলে প্ৰতিনিধিসকলৰ দাবী বিবেচনা কৰে আৰু স্বাস্থ্যকৰ্মীসকলক সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা চলোৱাৰ আশ্বাস দিয়ে।

০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে কৈছে যে দেশত বৰ্তমানলৈকে মাংকিপক্সত আক্ৰান্ত কোনো ৰোগী চিনাক্ত হোৱা নাই। বিশ্ব স্বাস্থ্য সংস্থাই মাংকিপক্সক আন্তৰ্ৰাষ্ট্ৰীয় স্বাস্থ্যজনিত জৰুৰী অৱস্থাৰূপে ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি নতুন দিল্লীত আয়োজিত এখন বৈঠকত মাংকিপক্সৰ স্থিতি আৰু প্ৰস্তুতি সম্পৰ্কে পৰ্যালোচনা চলায়। বৈঠকত ৰোগবিধৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ বাবে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ ভিতৰত কোনো ৰোগী চিনাক্ত হলে সকলো বিমান বন্দৰ, বন্দৰ আৰু প্ৰৱেশপথত স্বাস্থ্য গোটসমূহৰ সংবেদনশীলকৰণ, পৰীক্ষাগাৰসমূহক সাজু কৰি তোলা আৰু প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ বাবে স্বাস্থ্য সুবিধাসমূহ সাজু কৰি ৰখা অন্যতম। পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে স্বাস্থ্য সেৱাৰ সঞ্চালক প্ৰধানৰ অধ্যক্ষতাত কালি বিশেষজ্ঞসকলৰ যুটীয়া নিৰীক্ষণ গোটৰ এখন বৈঠক অনুষ্ঠিত হোৱা বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। স্বাস্থ্য মন্ত্ৰালয়ে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

০০০

আন্তৰ্জাতিক মুদ্ৰা নিধি, আই এম এফৰ প্ৰথমগৰাকী উপ-পৰিচালন সঞ্চালক ড০ গীতা গোপীনাথে কৈছে যে, ২০২৩-২৪ বিত্তীয় বৰ্ষত ভাৰতৰ বিকাশ আশা কৰাতকৈ অধিক হৈছে আৰু ভাৰত ২০২৭ চনৰ ভিতৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা হিচাপে পৰিগণিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। নতুন দিল্লীত এটা ব্যক্তিগত টিভি চেনেলত দিয়া সাক্ষাৎকাৰত শ্ৰীমতী গোপীনাথে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, দেশখনে অনাগত ৫-৬ বছৰত কেইবালাখো অতিৰিক্ত কৰ্মসংস্থাপন সৃষ্টি কৰাৰ প্ৰয়োজন আছে। তেওঁ কয় যে, ব্যক্তিগত ব্যৱহাৰ বৃদ্ধি পাব আৰু অনুকুল বাৰিষা কালৰ বাবে শস্যৰ উৎপাদন বৃদ্ধি পাব বুলি আন্তৰ্ৰাষ্ট্ৰীয় মুদ্ৰা নিধি আশাবাদী। ভাৰতত দুচকীয়া যান-বাহন বিক্ৰীৰ পৰা আৰম্ভ কৰি পন্য সামগ্ৰীলৈকে সামগ্ৰিকভাৱে বিভিন্ন সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি পাইছে। ভাৰতীয় যান বাহন নিৰ্মাতা সমাজৰ শেহতীয়া তথ্য অনুসৰি যোৱা মাহত যাত্ৰীবাহী বাহন, তিনিচকীয়া বাহন, দুচকীয়া বাহন আৰু ৪ চকীয়া চাইকেলৰ মুঠ উৎপাদন ২৪ লাখ ৩৭ হাজাৰ গোটৰো অধিক হৈছে।

০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে গ্ল'বেল চাউথ ৰাষ্ট্ৰসমূহক কম খৰছী আৰু গুৰুত্বপূৰ্ণ প্ৰযুক্তি সূচল কৰি তোলাৰ বাবে এটা পৰিয়ালৰ দৰে একেলগে কাম কৰিবলৈ আহ্বান জনাইছে। তৃতীয় ভইছ অৱ গ্ল'বেল চাউথ শীৰ্ষ সন্মিলনৰ বিদেশ মন্ত্ৰীসকলৰ প্ৰথম সত্ৰত অংশ লৈ ড০ জয়শংকৰে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, গ্ল'বেল চাউথ ৰাষ্ট্ৰসমূহ একাধিক সংঘৰ্ষ, উত্তেজনা আৰু হেচাৰ দ্বাৰা প্ৰভাৱিত হৈছে। আলাপ আলোচনাৰ চাৰিটা বিষয় উত্থাপন কৰি ডং জয়শংকৰে কয় যে, আন্তৰ্ৰাষ্ট্ৰীয় অৰ্থব্যৱস্থা বিপদমুক্ত কৰি তোলাৰ বাবে বিভিন্ন ক্ষেত্ৰত উৎপাদন বিবিধতাৰ আৱশ্যকতা আছে।

০০০

পেৰিছত হ'বলগীয়া পেৰালিম্পিকৰ উদ্বোধনী অনুষ্ঠানত টকিঅ' পেৰালিম্পিকৰ স্বৰ্ণ পদক বিজয়ী সুমীত আনতিল আৰু শ্বটপুট তাৰকা ভাগ্যশ্ৰী যাদৱে ভাৰতীয় দলৰ পতাকা কঢ়িয়াব। পেৰালিম্পিক গেমছ ২৪ আগষ্টৰ পৰা ৮ ছেপ্তেম্বৰলৈ ফ্ৰান্সৰ ৰাজধানী পেৰিছত অনুষ্ঠিত হ'ব। এইবাৰৰ মহোৎসৱত ভাৰতৰ ৮৪ গৰাকী এথলিটে অংশগ্ৰহণ কৰিব। পেৰালিম্পিক গেমছত এয়া হৈছে ভাৰতৰ এই পৰ্যন্ত সৰ্ববৃহৎ দল। যোৱাবাৰৰ টকিঅ' পেৰালিম্পিকত ৫৪ গৰাকী ভাৰতী খেলুৱৈয়ে প্ৰতিনিধিত্ব কৰিছিল।

০০০

গুৱাহাটীৰ ময়ুৰী বৰ্মনে ৭২ সংখ্যক সদৌ অসম আন্তঃজিলা বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ অৰ্জন কৰিছে। ময়ুৰীয়ে আজি গুৱাহাটীত অনুষ্ঠিত প্ৰতিযোগিতাৰ ছিংগলছৰ ফাইনেলত চুজেন বৰগোহাই ২৩-২১, ২১-১৭ গেমত পৰাস্ত কৰে।

০০০

**ঃঃ সমাপ্ত ঃঃ**